## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ পঞ্চম          বিষয় ঃ ভাষা- ১ (অসমীয়া) দ্বিতীয় সাময়িকী (এপ্ৰিল, মে', জুন) ২০১৮ ইং**

**শিকন ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) ঃ লিখন কৌশল**
**(গুণোৎসৱ-২০১৭, ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফল**

⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ ব্যৱহাৰ কৰি বাক্য গঠন কৰিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে চিঠি, আৱেদন আদি শুদ্ধকৈ লিখিব পাৰিব।

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ যুক্তাক্ষৰযুক্ত শব্দ/বাক্য লিখিব পাৰিব।

⇨ শ্ৰুতলিপিৰ জৰিয়তে শুদ্ধ বানান লিখিব পাৰিব।

⇨ পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পাৰিব।

⇨ চিঠি, আৱেদন আদি লিখিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি দ্বিতীয় সাময়িকী (এপ্ৰিল, মে', জুন)লৈকে সামৰা পাঠ্যপুথিৰ পাঠসমূহ ঃ—**

| | |
|---|---|
| (ক) পিঠাৰ মেল | পাঠ নং ৪ |
| (খ) ড° বাণীকান্ত কাকতি | পাঠ নং ৫ |
| (গ) জোনাকৰ জেউতি | পাঠ নং ৬ |
| (ঘ) ফুলকোঁৱৰৰ গীত | পাঠ নং ৭ |
| (ঙ) ৰঙৰ ৰহস্য | পাঠ নং ৮ |

**আৰম্ভণি ঃ**

এই সমলসামগ্ৰীত 'শিক্ষাৰ অধিকাৰ আইন ২০০৯' অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

প্ৰাথমিক বিদ্যালয়ৰ পৰ্যায়ত অনুষ্ঠিত 'গুণোৎসৱ-২০১৭' আৰু 'নাচ(NAS)-২০১৭' ৰ ফলাফলৰ আধাৰত দেখা গৈছে যে লিখন কৌশল আয়ত্তকৰণত প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী এতিয়াও পাছ পৰি আছে। মাতৃভাষাৰ শিক্ষাদানত আটাইকেইটা কৌশলৰ ভিতৰত এক উল্লেখযোগ্য কৌশলেই হৈছে লিখন। লিখনত দক্ষতা অবিহনে ভাষা শিকন সম্পূৰ্ণ নহয়। ছাত্ৰ-ছাত্ৰীয়ে এই স্তৰত প্ৰাথমিকভাৱে ভুল কৰা দিশবোৰেই হৈছে বানান আৰু উচ্চাৰণ। বানান আৰু উচ্চাৰণৰ ধাৰণা শুদ্ধ নহ'লে শিকন সম্পূৰ্ণ নহয়। আনহাতে এই স্তৰত পাঠত পোৱা যুক্তাক্ষৰসমূহ শুদ্ধভাৱে লিখনত প্ৰয়োগ কৰাটো গুৰুত্বপূৰ্ণ। চিঠি আৰু আৱেদনৰ শুদ্ধ শৈলী জনাৰ লগতে মূলভাৱ, সাৰাংশ শুদ্ধকৈ লিখাত সহায় হ'ব পৰাকৈ কিছুমান ক্ৰিয়া-কলাপেৰে এই সমলখিনি সজোৱা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

⇨ মাতৃভাষাৰ ভেঁটি সবল কৰাৰ লগতে অন্যান্য বিদ্যায়তনিক বিষয়সমূহ শিকিবলৈ হ'লে লিখন অৰ্হতাৰ প্ৰয়োজন।

⇨ লিখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মনোসঞ্চালন দিশৰ বিকাশ হয়।

⇨ লিখনৰ জৰিয়তে শিক্ষণ-শিকন প্ৰক্ৰিয়াত অবিৰত মূল্যায়ন কৰিব পাৰি।

⇨ লিখনৰ জৰিয়তে মনৰ ভাব প্ৰকাশ কৰিব পাৰি।

**এই সমল সামগ্ৰীৰ পৰা আমি কি শিকিব পাৰিম ঃ**

⇨ এই সমলসামগ্ৰীখিনি অধ্যয়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশলৰ বিকাশৰ বাবে ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ পৰিকল্পনা কৰিব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীৰ অভ্যাস অনুশীলনৰ যোগেদি লিখনৰ ধূসৰ ক্ষেত্ৰসমূহ চিনাক্তকৰণ কৰিব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীৰ লিখন দক্ষতা বিকাশৰ লগতে শিক্ষকহিচাপে আমি আত্মমূল্যায়ন কৰিবলৈ সুবিধা পাম।

⇨ নতুন নতুন উদ্ভাৱনী চিন্তাৰ ক্ৰিয়া-কলাপেৰে শ্ৰেণীকোঠা গতিশীল কৰিব পাৰিম।

⇨ শিক্ষণ-শিকন প্ৰক্ৰিয়াত লিখনৰ অবিৰত মূল্যায়ন কৰিবলৈ সুবিধা পাম।

**শিকনৰ ব্যৱস্থাৱলী ঃ**

⇨ এই সমলসামগ্ৰী অধ্যয়ন কৰি বিভিন্ন ক্ৰিয়া-কলাপ আৰু অনুশীলন কৰাৰ কাৰণে অনুপ্ৰাণিত হ'ম।

⇨ বানান শিকন আৰু যুক্তাক্ষৰ শিকনৰ প্ৰয়োজনীয়তা অনুধাৱন কৰিব পাৰিম।

⇨ অভ্যাস আৰু অনুশীলনৰ জৰিয়তে যিকোনো মূলভাৱ, সাৰাংশ আদি লিখিব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতিৰ মান-নিৰূপণ কৰিব পাৰিম।

শ্ৰেণীকোঠাত শ্ৰুতলিপি আৰু প্ৰশ্নোত্তৰ দিলে দেখা যায় কিছুমান ছাত্ৰ-ছাত্ৰীয়ে বানান ভুল কৰে, বিশেষকৈ যুক্তাক্ষৰযুক্ত শব্দ লিখোঁতে শুদ্ধকৈ লিখিব নোৱাৰে। এনেক্ষেত্ৰত শিক্ষক হিচাপে আমি কেনে ধৰণৰ ব্যৱস্থা ল'ব পাৰোঁ তাক জানিবলৈ ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে জানিব পাৰিম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ আৰ্হিমূলক এটা ৰূপৰেখা সংক্ষেপত উপস্থাপন কৰা হ'ল -**

**মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া)**

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ১)যুক্তাক্ষৰযুক্ত শব্দ/বাক্য লিখিব পাৰিব। | ⇨ অংকুৰণ<br>⇨ ব্লেক বোৰ্ড<br>⇨ চক, পেঞ্চিল।<br>⇨ ডাষ্টাৰ | দলগত কাৰ্য | ●'জ্ঞ' যুক্তাক্ষৰটোৰ সহায়ত তিনিটা শব্দ লিখি বাক্য ৰচনা কৰা।<br>শব্দ লিখি বাক্য ৰচনা কৰা।<br>●'ঞ্জ' যুক্তাক্ষৰ থকা চাৰিটা শব্দ লিখা। | অবিৰত আৰু সামগ্ৰীক মূল্যায়ন |
| ২)শ্ৰুতলিপিৰ জৰিয়তে শুদ্ধ বানান লিখিব পাৰিব। | পাঠ্যপুথিৰ দফা | দলগত কাৰ্য | ● শুদ্ধ বানান, যতিচিন ব্যৱহাৰ আদিৰ বাবে শ্ৰুতলিপিৰ ব্যৱস্থা কৰিব। | |
| ৩)পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পাৰিব। | পাঠ্যপুথি | ক্ৰিয়া-কলাপ | ● প্ৰেচিডেন্সী, বাণীকান্ত, বিশ্ববিদ্যালয় শব্দকেইটাৰ যুক্তাক্ষৰবোৰ ভাঙি লিখা।<br>●তলত দিয়া খালী ঠাইবোৰ যুক্তাক্ষৰেৰে পূৰণ কৰা।<br>●যিজনে কিতাপ লিখে ......................<br>●য'ত কিতাপ সংগ্ৰহ কৰা হয়.............<br>●একো নজনা লোকক...............বোলে। | |
| ৪)চিঠি, আবেদন, দফা আদি লিখিব পাৰিব। | পাঠ্যপুথি বহিৰ্ভূত সামগ্ৰী, যথা আলোচনী, বাতৰি-কাকত আদি। | ক্ৰিয়া-কলাপ | ●তলৰ শব্দ কেইটা ব্যৱহাৰ কৰি দফা এটা লিখা।<br>জ্ঞান, ছাত্ৰ-ছাত্ৰী, পুথিভঁৰাল, বিখ্যাত, গুণ।<br><br>●ছুটী বিচাৰি প্ৰধান শিক্ষকলৈ এখন আবেদন লিখা। | |

**ক্ষেত্ৰ অধ্যয়ন** (Case Study)

**প্ৰস্তুতি ঃ**

পাঠ্যপুথি-অংকুৰণ

ব্লেক বোৰ্ড, চক পেঞ্চিল, ডাষ্টাৰ

ৰেহেনা খাতুন নগাঁৱৰ ওচৰৰ এখন প্ৰাথমিক বিদ্যালয়ৰ ভাষা বিষয়ৰ শিক্ষয়িত্ৰী। শ্ৰেণী কোঠাত ছাত্ৰ-ছাত্ৰীক শ্ৰুতলিপি আৰু প্ৰশ্নোত্তৰ লিখিবলৈ দিওঁতে তেখেতে মন কৰিছিল যে শতকৰা ৭০ ভাগ ছাত্ৰ-ছাত্ৰীয়ে বানান ভুল কৰিছিল আৰু প্ৰশ্নোত্তৰবোৰো শুদ্ধ হোৱা নাছিল। বিশেষকৈ যুক্তাক্ষৰযুক্ত শব্দ লিখোঁতে তেওঁলোকে বহুতো ভুল কৰিছিল। এনেক্ষেত্ৰত শিক্ষক হিচাপে তেখেতে বৰ্ণাশুদ্ধিৰ দোষ আঁতৰাবলৈ কেনেধৰণৰ ব্যৱস্থা ল'ব তাৰ বাবে এটা পৰিকল্পনা কৰিলে। তেখেতে পাঠ্যপুথি অংকুৰণৰ ৩৯ পৃষ্ঠাত থকা "কথাতে কয় 'যি মূলা বাঢ়ে তাৰ দুপাততে চিন।' এই কথাষাৰ ডক্টৰ বাণীকান্ত কাকতিৰ জীৱনত প্ৰতিফলিত হৈছিল। সৰুৰে পৰাই সকলো কথা আঁতিগুৰি মাৰি জানিবলৈ তেখেতৰ আগ্ৰহ আছিল। তেখেতে ওৰেটো জীৱন জ্ঞান অৰ্জনত আত্মনিয়োগ কৰিছিল। ইয়াৰ ফলত কেইবাখনো মহৎ গ্ৰন্থ তেখেতৰ কাপৰ পৰা নিগৰি ওলাইছিল। সেই বিলাকৰ ভিতৰত গৱেষণামূলক গ্ৰন্থখন বিশেষভাৱে উল্লেখযোগ্য। এই গ্ৰন্থত অসমীয়া ভাষাৰ উৎপত্তি, ইয়াৰ শব্দ-ভাণ্ডাৰ আৰু বিশেষত্ব সম্পৰ্কে বিস্তৃত বিশ্লেষণ আছে।" এই দফাটোকে ছাত্ৰ-ছাত্ৰীক শ্ৰুতলিপি দিছিল। সংগীতা নামৰ ছাত্ৰীগৰাকীয়ে কাণেৰে কম শুনিছিল। তেওঁক সমুখৰ বেঞ্চত বহিবলৈ দিছিল।

শ্ৰীমতী খাতুনে শ্ৰুতলিপি দিয়াৰ পাছত ছাত্ৰ-ছাত্ৰীয়ে বহীবিলাক সলনা-সলনি কৰি এজনক আনজনৰ বহী চাই ভুল বানানবিলাক বাছি উলিয়াবলৈ দিছিল। তেখেতে দেখিলে যে বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ যুক্ত শব্দবিলাক লিখোঁতে ভুল কৰিছিল। তেখেতে ছাত্ৰ-ছাত্ৰীয়ে ভুল কৰা বানানকেইটা নিজৰ ডায়েৰিত টুকি থৈছিল। বিশেষকৈ জ্ঞ, ন্থ, শ্ল, স্তৃ, ণ্ড, ত্ম, ক্ত আদি যুক্তাক্ষৰযুক্ত শব্দবোৰ লিখিব পৰা নাছিল। তেখেতে ডায়েৰিত টুকি ৰখা কোনো এটা যুক্তাক্ষৰ বোৰ্ডত ডাঙৰকৈ লিখি দুৰ্বল ছাত্ৰ এজনক মাতি যুক্তাক্ষৰটো কি কি বৰ্ণ লগলাগি গঠিত হৈছে লিখিবলৈ দিছিল। এনেদৰে ভুল কৰা গোটেইকেইটা যুক্তাক্ষৰ ছাত্ৰ-ছাত্ৰীৰ সহযোগত ভাঙি দেখুৱাইছিল। ৰেহেনা খাতুনে সকলোকে পৰ্যৱেক্ষণ কৰি আছিল আৰু প্ৰয়োজন সাপেক্ষে নিজে সহায় কৰিছিল। পুনৰ একেটা দফাকে আকৌ শ্ৰুতলিপি দিছিল। এইবাৰ দেখা গ'ল যে মাত্ৰ ১০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে সম্পূৰ্ণ শুদ্ধকৈ লিখিব পৰা নাই।

ৰেহেনা খাতুনে অন্য এটা কথাও চিন্তা কৰিছিল। শ্ৰুতলিপি শুদ্ধকৈ লিখিব পৰা ছাত্ৰ-ছাত্ৰীক আছুতীয়াকৈ বহুৱাই অন্য এটা লিখন কাৰ্যত ব্যস্ত কৰি ৰাখিছিল। তেওঁলোকক শ্ৰুতলিপি দিয়া দফাটোৰ পৰা যিকোনো ১০টা শব্দ বাছি লৈ বাক্য ৰচনা কৰিবলৈ দিছিল। এনেদৰে তেখেতে সকলো ছাত্ৰ-ছাত্ৰীকে বাৰে বাৰে অনুশীলন কৰাই শুদ্ধকৈ বানান লিখাৰ ওপৰত গুৰুত্ব দিছিল।

**চিন্তা কৰি চাওঁ আহক—**

⇨ ৰেহেনা খাতুনে দুৰ্বল ছাত্ৰ-ছাত্ৰীসকলৰ বাবে যি ব্যৱস্থা লৈছিল সেয়ে সকলো ছাত্ৰ-ছাত্ৰীক লিখনৰ ক্ষেত্ৰত আগবঢ়াই নিব পাৰিছিল নে?

⇨ বানানৰ তালিকাই ছাত্ৰ-ছাত্ৰীসকলৰ মনোযোগ আকৰ্ষণ কৰিব পাৰিছিলনে?

⇨ আপোনাৰ শ্ৰেণীকোঠালৈ যদি এনে দুৰ্বল ছাত্ৰ-ছাত্ৰী আহে তেন্তে তেওঁলোকৰ বাবে কি ব্যৱস্থা ল'ব?

⇨ এই ক্ৰিয়া-কলাপটো সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে উপযুক্ত বুলি আপুনি ভাবে নে? সমান আগ্ৰহেৰে তেওঁলোকে ইয়াত ভাগ লোৱা দেখিছেনে?

⇨ শ্ৰুতলিপি লিখোঁতে কোনোবা ছাত্ৰ-ছাত্ৰীয়ে এৰি গৈছে নেকি তাক আপুনি লক্ষ্য কৰিছে নে?

⇨ সংগীতাৰ ক্ষেত্ৰত লোৱা ব্যৱস্থা সঠিক বুলি আপুনি ভাবেনে?

ওপৰত বৰ্ণনা কৰা ৰেহেনা খাতুন বাইদেউৰ ক্ৰিয়া-কলাপটোৰ আলমত তলত দিয়া ধৰণে আমিও আমাৰ শ্ৰেণীকোঠাত ক্ৰিয়া-কলাপ কৰি চাওঁ আহক।

**ক্ৰিয়া-কলাপ -**

পাঠত পোৱা যুক্তাক্ষৰসমূহ লিখনত ব্যৱহাৰ কৰিব পাৰিছে নে নাই তাৰ বাবে মই পাঠ নং ৫, ৬ত থকা যুক্তাক্ষৰ, আগতীয়াকৈ বাছি উলিয়াইছিলোঁ। এতিয়া মই বেলেগ বেলেগ সৰু সৰু কাগজত একোটাকৈ যুক্তাক্ষৰ লিখি লৈছিলোঁ। ছাত্ৰ-ছাত্ৰীসকলক ৩জনীয়া দলত ভাগ কৰি একোখনকৈ যুক্তাক্ষৰ লিখা কাগজ ভগাই দিছিলোঁ। দলত আলোচনা কৰি যুক্তাক্ষৰটো ব্যৱহাৰ কৰি নিৰ্দিষ্ট সময়ৰ ভিতৰত যিমান পাৰো শব্দ গঠন কৰিবলৈ দিছিলোঁ।

নিৰ্দিষ্ট সময়ৰ অন্তত প্ৰতিটো দলৰে এজনক আহি বোৰ্ডত তেওঁলোকে লিখা শব্দবোৰ লিখিবলৈ দিছিলোঁ। পুনৰ সেই যুক্তাক্ষৰকেইটাৰে বাকী দলৰ ছাত্ৰ-ছাত্ৰীসকলক শব্দ লিখিবলৈ দিছিলোঁ। কিবা ভুল হ'লে মই বোৰ্ডত শুধৰাই দিছিলোঁ।

এইদৰে প্ৰতিটো দলকে নিজৰ ভাগত থকা যুক্তাক্ষৰ ব্যৱহাৰ কৰি শব্দ গঠন কৰি বোৰ্ডত লিখিবলৈ দিছিলোঁ। মই লক্ষ্য কৰিছিলোঁ যে শ্ৰেণীকোঠাৰ ৫টা দলে লিখি উলিওৱা নিৰ্দিষ্ট যুক্তাক্ষৰযুক্ত শব্দৰ তালিকাখন মই আশা কৰাতকৈ দীঘলীয়া হৈছিল। মই ছাত্ৰ-ছাত্ৰীসকলক নিজৰ নিজৰ টোকাবহীত বোৰ্ডত লিখা শব্দবোৰ লিখি ল'বলৈ কৈছিলোঁ। ছাত্ৰ-ছাত্ৰীসকলে আনন্দ মনেৰে ক্ৰিয়া-কলাপত অংশ গ্ৰহণ কৰিছিল। অভিধানৰ সহায়ত শব্দবোৰৰ অৰ্থও বুজাই দিয়া হৈছিল। পুনৰ বোৰ্ডখন মচি মই আগতে লিখা কিছুমান যুক্তাক্ষৰযুক্ত শব্দ লিখি দি প্ৰত্যেককে বাক্য গঠন কৰিবলৈ দিছিলোঁ।

*বিঃ দ্ৰঃ*

⇨ *শ্ৰেণীকোঠাত থকা বিশেষভাবে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।*

⇨ *লিখন কৌশল বিকাশৰ বাবে আটাইতকৈ প্ৰভাৱশালী ক্ৰিয়া-কলাপ হৈছে শ্ৰুতলিপি; সেইবাবে আমি শিক্ষকহিচাপে শ্ৰেণীকোঠাত পাৰ্যমানে শ্ৰুতলিপি দিব পাৰোঁ !*

**সাৰাংশ ঃ**

⇨ যুক্তাক্ষৰযুক্ত শব্দৰ বানান শুদ্ধকৈ লিখিব পাৰিছে।

⇨ সকলো ছাত্ৰ-ছাত্ৰী জড়িত হৈছে।

⇨ ক্ৰিয়া-কলাপৰ মাধ্যমেৰে তেওঁলোকৰ বানানৰ শুদ্ধতাৰ প্ৰতি মনোযোগ বাঢ়িছে।

⇨ বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীক ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে এইধৰণে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন—

১। 'জ্ঞ' যুক্তাক্ষৰটোৰ সহায়ত তিনিটা শব্দ লিখি বাক্য ৰচনা কৰা।

২। 'জ্ঞ' আৰু 'ঞ্জ' ৰ মাজত থকা ভেদ লক্ষ্য কৰা।

২। প্ৰেচিডেন্সী, বাণীকান্ত, বিশ্ববিদ্যালয় শব্দকেইটাত থকা যুক্তাক্ষৰবোৰ ভাঙি লিখা।

⇨ তলত দিয়া খালী ঠাইবোৰ যুক্তাক্ষৰবোৰেৰে পূৰণ কৰা—
অজ্ঞ, গ্ৰন্থাগাৰ, গ্ৰন্থকাৰ, অঞ্জনা।

⇨ যিজনে কিতাপ লিখে ———

⇨ য'ত কিতাপ সংগ্ৰহ কৰা হয় ———

⇨ একো নজনা লোকক ——— বোলে।

⇨ হনুমানৰ মাকৰ নাম———।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

⇨ তলৰ শব্দসমূহেৰে একোটাকৈ বাক্য ৰচনা কৰা —
বিশ্লেষণ, ভূপেন হাজৰিকা, গ্ৰন্থাগাৰ, বিজ্ঞান, আজ্ঞা

⇨ যুক্তাক্ষৰ ভাঙি দেখুওৱা—
দ্ৰুম, অজ্ঞান, পুস্তক, গ্ৰন্থাগাৰ, আজ্ঞা।

⇨ তলৰ শব্দকেইটা ব্যৱহাৰ কৰি দফা এটা লিখা।
জ্ঞান, ছাত্ৰ-ছাত্ৰী, পুথিভঁৰাল, বিখ্যাত, গুণ

⇨ তলত দিয়া যুক্তাক্ষৰকেইটাৰে একোটাকৈ শব্দ গঠন কৰা।
ক্ত, ষ্ণ, ন্ধ, শ্চ, স্ত, স্থ, ষ্ঠ

⇨ ছুটী বিচাৰি প্ৰধান শিক্ষকলৈ এখন আৱেদন লিখা।

**প্ৰসংগ পুথি ঃ**


⇨ পাঠ্যপুথি (অংকুৰণ পঞ্চম ভাগ)

⇨ অসমীয়া মাতৃভাষা শিকন পদ্ধতি - হলিৰাম দাস

⇨ হেমকোষ, চন্দ্ৰকান্ত অভিধান


***